**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 29-08-2026
**Time :** 7:10 PM

ASSAMESE EVENING NSD BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। নেপালৰ ৰাষ্ট্ৰপতিয়ে নেপালত হোৱা বিধবংসী বানৰ পৰিপ্ৰেক্ষিতত ভাৰতে আগবঢ়োৱা সাহায্য আৰু সমৰ্থনৰ বাবে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক কৃতজ্ঞতা জ্ঞাপন কৰিছে। এই বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬২৬ লৈ বৃদ্ধি পাইছে।

২। ভাৰতে কেৱল এটা বৃহৎ অৰ্থনীতি হিচাপেই নহয়, বৰঞ্চ নিজৰ সভ্যতা, সংস্কৃতি আৰু সামৰ্থৰ ওপৰত আত্মবিশ্বাসী দেশ হিচাপে আত্মপ্ৰকাশ কৰিছে বুলি মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

৩। ভাৰত দীৰ্ঘম্যাদী বিনিয়োগ আৰু পৰিচালনাৰ মঞ্চ হিচাপে পৰিগণিত হৈছে বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে উল্লেখ কৰিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। ***আৰু***

৫। কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি সমগ্ৰ দেশত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপন কৰা হৈছে।

০০০০০

নেপালৰ ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পৌড়েলে নেপাল-তিববতত হোৱা বিধবংসী বানত শ শ লোকৰ মৃত্যুৰ লগতে ব্যাপক ক্ষয়-ক্ষতিৰ পৰিপ্ৰেক্ষিতত আগবঢ়োৱা সাহায্য আৰু সমৰ্থনৰ বাবে ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক কৃতজ্ঞতা জ্ঞাপন কৰিছে। যোৱা বুধবাৰে হোৱা এই বিপৰ্যয়জনক বানৰ পাছত ভাৰতীয় লোকৰ কৰুণ ক্ষতিৰ বাবে শ্ৰীপৌড়েলে শোক প্ৰকাশ কৰে। ইপিনে কালি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি নেপালত হোৱা এই বানৰ পৰিপ্ৰেক্ষিতত ১৪৯ গৰাকী ভাৰতীয় নাগৰিকে চীনৰ পৰা নেপাললৈ নিৰাপদে পাৰ হৈ যোৱাৰ বিপৰীতে ৩২০ গৰাকী লোক এতিয়াও নিৰুদ্দেশ হৈ আছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে নেপালৰ এই পৰিস্থিতিক লৈ ভাৰত চিন্তিত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালৰ এনে সময়ত সকলো প্ৰকাৰে সহায় কৰিবলৈ ভাৰত সাজু বুলি শ্ৰীসিঙে উল্লেখ কৰে। ভাৰতে নিৰৱচ্ছিন্নভাৱে চুবুৰীয়া দেশখনলৈ সাহায্য প্ৰেৰণ কৰি আছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে এই বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬২৬ লৈ বৃদ্ধি হৈছে। আনহাতে ২০০০ ৰো অধিক লোক সন্ধানহীন হৈ আছে। আৰক্ষীয়ে চিটৱানত ২৩৩, নৱালপৰাচি পূবত ১৫৮, গোৰ্খাত ৪৮, নৱালপৰাচি পশ্চিমত ৪৭, ধাদিঙত ৪৫, নুৱাকোটত ৪১, টানাহুনত ৩১ আৰু ৰাচুৱাত ১৩ টা মৃতদেহ উদ্ধাৰ কৰিছে। হিমালয় অঞ্চলৰ ক্ষতিগ্ৰস্ত জিলাসমূহত উদ্ধাৰ অভিযান অব্যাহত আছে। নেপালৰ চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি আৰক্ষীয়ে সন্ধানহীন আৰু বানত আবদ্ধ লোকৰ তথ্য পাবলৈ স্থানীয় লোক তথা সংস্থাৰ সৈতে সহযোগিতাৰে কাম কৰি আছে। উদ্ধাৰ কৰা লোকসকলক নিৰাপদ স্থানলৈ নিয়া হৈছে। বানত বন্ধ হৈ পৰা পথসমূহ মুকলি কৰাৰ কামো চলি আছে।

ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কালি কৈছিল যে নেপালৰ দুৰ্যোগত সন্ধানহীন ৩২০ গৰাকী ভাৰতীয়ৰ কোনো তথ্য পোৱা হোৱা নাই। মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে আন দেশৰ নাগৰিকত্ব গ্ৰহণ কৰা ভাৰতীয় মূলৰ প্ৰায় ১০০ গৰাকী লোক সন্ধানহীন হৈ আছে। তেওঁ লগতে কয় যে চীনৰ ফালে প্ৰায় ৪০০ গৰাকী ভাৰতীয় সুৰক্ষিত অৱস্থাত আছে আৰু তেওঁলোক পৰিয়ালৰ সৈতে যোগাযোগত আছে। প্ৰাকৃতিক দুৰ্যোগত প্ৰভাৱিত ভাৰতীয় লোকসকলক উদ্ধাৰ, সাহায্য প্ৰদান আৰু সন্ধান উলিওৱাত সহায়ক হোৱাৰ বাবেই এই ব্যৱস্থা কৰা হৈছে। শ্ৰীজয়ছোৱালে কয় যে নাগৰিকসকলে ৯১-১১-২৩০৮ ৮৭১৮, ৯১-১১-২৩০৮ ৮৭১৯ আৰু ৯১-১১-২৩০১ ২১১৩ টেলিফোন নম্বৰত বিদেশ মন্ত্ৰালয়ৰ নিয়ন্ত্ৰণ কক্ষৰ সৈতে যোগাযোগ কৰিব পাৰিব। তদুপৰি তেওঁলোকে ৯১-৯৯৬৮২৯১৯৮৮ হোৱাটচ এপ নম্বৰ আৰু situationroom@mea.gov.inতো ই-মেইল কৰি যোগাযোগ কৰিব পাৰিব।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে শেহতীয়াকৈ প্ৰকাশ কৰা মতে আজি পশ্চিম কাৰ্বি আংলঙৰ এজন লোক সন্ধানহীন হোৱাৰ তথ্য প্ৰকাশ হৈছে। ইয়াকে লৈ নেপালৰ বানত সন্ধানহীন হোৱা অসমৰ লোকৰ সংখ্যা ১১ লৈ বৃদ্ধি পাইছে। ইপিনে, বানত সন্ধানহীন হোৱা বুলি ইতিপূৰ্বে প্ৰকাশ পোৱা নলবাৰী জিলাৰ পংকজ বৰ্মন আৰু সমৰ বেজবৰুৱা, পশ্চিম কাৰ্বি আংলঙৰ শিৱ মাৰাক, চাৰ্বিচন মাৰাক আৰু এলিপচন চাংমা নামৰ লোক কেইজন নিৰাপদে আছে বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্যত প্ৰকাশ পাইছে।

ooooo

ভাৰতে কেৱল এটা বৃহৎ অৰ্থনীতি হিচাপেই নহয়, বৰঞ্চ নিজৰ সভ্যতা, সংস্কৃতি আৰু সামৰ্থৰ ওপৰত আত্মবিশ্বাসী দেশ হিচাপে আত্মপ্ৰকাশ কৰিছে। লক্ষ্ণৌত বাবা ছাহেব ভীমৰাও আমবেদকাৰ বিশ্ববিদ্যালয়ৰ একাদশ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত ভাষণ দি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এইদৰে মত প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে নতুন ভাৰতৰ আটাইতকৈ ডাঙৰ পৰিৱৰ্তন হৈছে যে দেশখনে এতিয়া কেৱল গোলকীয় নিয়মসমূহ মানি চলাই নহয়, নিয়মসমূহ প্ৰণয়নতো অৰিহনা যোগাইছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ ভাষা, সংস্কৃতি, সভ্যতাৰ প্ৰতি থকা গৌৰৱে এটা জাতিৰ আত্মনিৰ্ভৰশীলতা আৰু প্ৰগতিকে সূচায়। আৰ্থিক, মানসিক আৰু সাংস্কৃতিক- সকলো দিশতো ভাৰতক শক্তিশালী কৰি তোলাত চৰকাৰে বৰ্তমান মনোনিৱেশ কৰিছে। শ্ৰীসিঙে লগতে  কয়, যে ডিগ্ৰী বিতৰণৰ বাহিৰেও বিশ্ববিদ্যালয়সমূহৰ জাতি গঠনৰ লক্ষ্য থাকিব লাগে। শিক্ষানুষ্ঠানসমূহে ন্যায়, সমতা, স্বাধীনতা, ভাতৃত্ববোধৰ আদৰ্শৰ প্ৰতি দায়বদ্ধ জাতি গঠনত আকৰ্ষণ থকা যুৱক-যুৱতীসকলক বাট দেখুওৱাব লাগিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীসিঙে লগতে যোৱা ১২ বছৰত ভাৰতত শিক্ষাৰ মানদণ্ড, ব্যয় সাধ্যতা, সুলভতাৰ উন্নতি হৈছে বুলি মত প্ৰকাশ কৰে। গৱেষণাৰ ক্ষেত্ৰখনত ব্যয় দুগুণ বৃদ্ধি পাইছে আৰু ৩৬ বছৰৰ পাছত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি ৰূপায়ণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে এই পৰিৱৰ্তনে ভাৰতীয় যুৱক-যুৱতীসকলক বহুতো ষ্টাৰ্টআপ আৰু উন্নত প্ৰযুক্তি সৃষ্টি কৰিবলৈ অনুপ্ৰেৰণা যোগাইছে।

**বাইট (ৰাজনাথ সিং)**

ooooo

বিশ্ব কোম্পানীসমূহে নিজৰ যোগান শৃংখলা আৰু মূলধন আৱণ্টনৰ পুনৰ মূল্যায়ন কৰাৰ লগে লগে ভাৰত দীৰ্ঘম্যাদী বিনিয়োগ আৰু পৰিচালনাৰ মঞ্চ হিচাপে পৰিগণিত হৈছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা

সীতাৰমণে আমেৰিকাৰ চিকাগোত আগশাৰীৰ বিনিয়োগকাৰীসকলৰ সৈতে হোৱা এখন উচ্চ পৰ্যায়ৰ বৈঠকত এইদৰে মন্তব্য কৰে। তেওঁ ভাৰতৰ বিনিয়োগৰ স্থায়ী অৰ্থনৈতিক বৃদ্ধি, দক্ষতা, বিশ্বমানৰ আন্তঃগাঁথনি, প্ৰযুক্তিগত উন্নতি আৰু এক দশকৰ ধাৰাবাহিক সংস্কাৰ নিহিত হৈ আছে বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ লগতে আধাৰ, ইউ পি আই, ডিজি ল'কাৰ, অ এন ডি চি আৰু ইণ্ডিয়া ষ্টেককে ধৰি ভাৰতৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিয়ে জনসংখ্যাৰ পৰিসৰত এখন মঞ্চৰ সৃষ্টি কৰা বুলি প্ৰকাশ কৰে। শ্ৰীমতী সীতাৰমণে আঙুলিয়াই দিয়ে যে জিফট আই এফ এছ চিয়ে ভাৰতৰ সৈতে বিশ্বৰ পুঁজিক সংযোগ কৰা আন্তঃৰাষ্ট্ৰীয় বিত্ত কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে বুলি কয়। আত্মনিৰ্ভৰ ভাৰত আৰু আইডেক্সৰ দৰে পদক্ষেপৰ ওপৰত আলোকপাত কৰি শ্ৰীমতী সীতাৰমণে কয়, যে ভাৰতে ড্ৰোন, স্বায়ত্তশাসিত ব্যৱস্থা আৰু অন্যান্য উন্নত প্ৰযুক্তিৰ ক্ষেত্ৰত ঘৰুৱা সামৰ্থ শক্তিশালী কৰি আছে। তেওঁ বিশ্বৰ অংশীদাৰীসকলে সম বিকাশ, সম উৎপাদন আৰু নিৰ্মাণৰ বাবে ভাৰতক বিশ্বৰ বজাৰৰ সেৰা হিচাপে গঢ়ি তুলিব পৰা মঞ্চ হিচাপে চাবলৈ আহ্বান জনায়।

ooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ দুদিনীয়া ভ্ৰমণৰ কাৰ্যসূচীৰে কাইলৈ কেৰলমত উপস্থিত হ'ব। তেওঁ আলাপ্পুঝাত মালয়ালমৰ অন্যতম আগশাৰীৰ দৈনিক কাকত কেৰালা কৌমুদিৰ ১১৫ বছৰীয়া জয়ন্তী উদযাপনত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে পাঠানামথিট্টাত কেৰলমৰ অন্যতম পুৰণি নৌকা দৌৰ প্ৰতিযোগিতা **আৰনমুলা জল মহোৎসৱ** উদ্বোধন কৰিব। পাছত তেওঁ তিৰুৱনন্তপুৰমত ৰাজ্য চৰকাৰে আয়োজন কৰা ওনাম পৰ্যটন সপ্তাহত অংশগ্ৰহণ কৰিব। সোমবাৰে উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লাক্ষাদ্বীপৰ আগাট্টি ভ্ৰমণ কৰিব আৰু মীন, পশুপালন তথা দুগ্ধ মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত এটা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কেৰলমলৈ উভতি অহাৰ পাছত তেওঁ কোচিৰ কাক্কানাডত ৰাজাগিৰি স্কুল অৱ ইঞ্জিনিয়াৰিং এণ্ড টেকনল'জিৰ ৰূপালী জয়ন্তী উদযাপনত অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ এই আনুষ্ঠানিক ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ ৰাজ্যতে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৭ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি সমগ্ৰ দেশত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপন কৰা হৈছে। দেশৰ চহকী ক্ৰীড়া ঐতিহ্যৰ উদযাপন আৰু জনসাধাৰণক খেলত-ধেমালিক নিয়মীয়া জীৱন শৈলীৰ অংশ কৰি লোৱাৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে ২৯ আগষ্টত এই দিৱস পালন কৰা হয়। এই বেলি শ্ৰদ্ধা জ্ঞাপন,¯খেলা আৰু অগ্ৰসৰ হোৱা এই তিনিটা স্তম্ভৰ অধীনত তিনিদিনীয়া ৰাষ্ট্ৰজোৰা অভিযানেৰে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন কৰা হৈছে। এইবাৰ খেলপথাৰত

এঘণ্টা আহ্বানেৰে এই দিৱস উদযাপন কৰা হৈছে। ক্ৰীড়া দিৱসৰ সৈতে সংগতি ৰাখি দেশজুৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে হকীৰ যাদুকৰ মেজৰ ধ্যানচন্দলৈ শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ভাৰতীয় হকীত মেজৰ ধ্যানচন্দৰ প্ৰতিভাই প্ৰতিটো প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে সকলো ক্ৰীড়া প্ৰেমীলৈও শুভেচ্ছা জনায়।

ooooo

সমাপ্ত